Total No. of Printed Pages—4

**2 SEM TDC ASM MIL 1 (A)**

**2015**

( May )

# ASSAMESE

( Modern Indian Language )

**( Arts )**

Course : 201

**( অসমীয়া ভাষাৰ প্ৰায়োগিক জ্ঞান )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াবোৰৰ সংক্ষিপ্ত ৰূপ লিখাঁ : ১×৪=৪

ভাববোধক অব্যয়; অসমীয়া ভাষাব উন্নতি সাধিনী সভা; All India Radio; Bachelor of Arts.

২। (ক) তুমি এজন শিক্ষিত যুৱক/যুৱতী। এটা চৰকাৰী বিভাগত তোমাৰ অৰ্হতাৰে পাব পৰা এটা চাকৰি খালী হৈছে। উক্ত পদৰ বাবে তোমাৰ অৰ্হতাৰ সকলো তথ্য দাঙি ধৰি এখন আৱেদন পত্ৰ আগবঢ়োৱাঁ। ১৪+২=১৬

অথবা

(খ) ড০ ভূপেন হাজৰিকাৰ স্মৃতি যুগমীয়া কৰাৰ অৰ্থে তোমাৰ অঞ্চলটোৰ বহুকেইটা সংগঠন/প্ৰতিষ্ঠান একত্ৰিত হৈ এখন সভাৰ আয়োজন কৰিছে। উক্ত সভাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱো সৰ্বসম্মতিক্ৰমে গৃহীত হৈছে। সেই প্ৰস্তাৱকেইটা সামৰি উপৰোক্ত সভাখনৰ এক বিস্তৃত কাৰ্যবিৱৰণী প্ৰস্তুত কৰা। ২+১৪=১৬

৩। (ক) পৰিভাষা বুলিলে কি বুজা? সাহিত্যত পৰিভাষাৰ ব্যৱহাৰ সম্পৰ্কে চমু আলোচনা আগবঢ়োৱা। ৩+৪=৭

(খ) তলৰ যি কোনো আঠোটা শব্দৰ অসমীয়া পৰিভাষা লিখাঁ : ১×৮=৮

Advocate; Court; Handcuff; Income Tax; Cooperative; Xerox; Witness; Retirement; Casual Leave; Chief Justice; Daily Allowance.

৪। (ক) তলত দিয়া গদ্যাংশ অসমীয়ালৈ অনুবাদ কৰা : ৫

The territorial jurisdiction of the Dibrugarh University spans seven districts of Upper Assam, viz., Dibrugarh, Dhemaji, Golaghat, Jorhat, Lakhimpur, Sivasagar and Tinsukia. The rich concentration of industries and the poly-chromatic ethnic mosaic of this region constitute a veritable paradise for exploration, study and research.

The First Statutes, the Ordinances and the Regulations of the University came into force with effect from 13th October, 1965 and the various University Authorities started functioning from 1st April, 1966.





(খ) যি কোনো দুটাৰ বিষয়ে লিখাঁ : ৫×২=১০

(১) অনুবাদৰ সংজ্ঞা

(২) অনুবাদ কৰোঁতে ল'বলগীয়া সাৱধানতা

(৩) অনুবাদক এজনৰ থাকিবলগীয়া গুণ

৫। (ক) অৰ্থ লিখি সাৰ্থক বাক্য ৰচনা কৰাঁ : ২×৮=১৬

অঁকৰা মৈত উঠা; এলাই বাদু; কাণে কাণ মাৰি; চকু-চৰহা; জাকত জিলিকা; দলনিত পোনা মেলা; ভেকুলীৰ পিঠিত নোম গজা; শালৰ মাজৰ শিঙি।

(খ) তলৰ কথাখিনিৰ উপযুক্ত স্থানত যতি চিহ্ন প্ৰয়োগ কৰাঁ :

বাঃ বাঃ কি সুন্দৰ দৃশ্য ৰ'দে-বৰষুণে মিলি আকাশত এক বৰ্ণময় শোভাৰ সৃষ্টি কৰিছে তুমি আহিবা বুলি ভাবিছিলোঁ নাহিলা কালিলৈ আহিব পাৰিবা নেকি মানসী কৰবী আৰু সুদৰ্শন নিশ্চয় আহিব গুৱাহাটীৰ পৰা বিনন্দও অহাৰ কথা পাৰিলে তুমিও আহা

(গ) তলৰ যি কোনো আঠোটা শব্দ শুদ্ধকৈ লিখাঁ : ১×৮=

ভুমিকম্প; আদৰণি গীত; সম্মুখ; পৰিস্কাৰ; ক্রুটী; কীতিত্ব; আসীষ; দূৰ্বল; অণুসন্দান; ভূল।

★★★